# Scleroderma or Systemic Sclerosis

# স্কেলৰ'ডাৰ্মা নাইবা ছিছটেমিক স্কেলৰ'ছিছ


**IRA Committee on patient Education**

**ভাৰতীয় ৰিউমেটল'জী সন্থাৰ ৰোগী শিক্ষা সমিতি**

***Assamese Translation by:***
**Prof. Sanjeeb Kakati**
Deptt. of Medicine, Assam Medical College, Dibrugarh

***অসমীয়া অনুবাদ ঃ***
**ডাঃ সঞ্জীৱ কাকতি**
অধ্যাপক, মেডিচিন বিভাগ, অসম চিকিৎসা মহাবিদ্যালয়, ডিব্ৰুগড়


**স্কেলৰ'ডাৰ্মা (Scleroderma) কি ?**

প্ৰকৃততে স্কেলৰ'ডাৰ্মা (Scleroderma)ৰ অৰ্থ হৈছে 'কঠিন ছাল' যিটো এইবিধ ৰোগত সাধাৰণতে দেখা যায়। ই সংযোগী কলা(connective tissue)ৰ অস্বাভাৱিক বৃদ্ধিৰ বাবে হয়। বহুলভাৱে স্কেলৰ'ডাৰ্মা (Scleroderma)ৰ দুটা শ্ৰেণী আছে— স্থান বিশেষে হোৱা (Localized) (ছাল আৰু কাচিৎ মাংসপেশী আক্ৰান্ত হয়) আৰু ছিছটেমিক (Systemic) (শৰীৰব্যাপি হোৱা) ছাল আৰু অভ্যন্তৰীণ অংগ যেনে, হৃদপীণ্ড, হাওঁফাওঁ, অন্ত ইত্যাদি আক্ৰান্ত হয়।

স্থান বিশেষে হোৱা স্কেলৰ'ডাৰ্মা (Localized scleroderma) সাধাৰণতে নিৰূপিত হৈ থাকে আৰু ই ছিছটেমিক/ শৰীৰত বিয়পা স্কেলৰ'ডাৰ্মা (Scleroderma) লৈ অগ্ৰগতি নকৰে। স্থান বিশেষে হোৱা স্কেলৰ'ডাৰ্মা (Localized scleroderma) আকৌ দুবিধ হ'ব পাৰে— মৰফিয়া (morphea) আৰু ৰেখাকৃতি(linear)। ছিচটেমিক স্কেলৰ'ডাৰ্মা (Scleroderma)ত ছাল, মাংসপেশী, ৰক্ত সঞ্চালন কৰা শিৰা আৰু অভ্যন্তৰীণ অংগবিলাক আক্ৰান্ত হয়। ইয়াক প্ৰায় বিভক্ত কৰা হয় বিস্তাৰিত(diffuse) আৰু নিৰূপিত (limited) ৰোগত।

বিস্তাৰিত / ডিফিউজ ছিচটেমিক স্কেৰ'ছিচ (diffuse systemic sclerosis ) হৈছে এবিধ তুলনামূলকভাৱে বিৰল ৰোগ যি গুৰুতৰৰূপ ধাৰণ কৰি জীৱনলৈ ভাবুকি আনিব পাৰে।

**ইয়াক কিহে কৰে ?**

স্কেলৰ'ডাৰ্মা (Scleroderma)ৰ সথিক কাৰণ জানিব পৰা হোৱা নাই। যিকিনহওক জানিব পৰা গৈছে যে দেহত কলাজেন (এবিধ পদাৰ্থ যিয়ে ঘা শুকুৱাই আৰু তাৰ পাছত সেই ঠাইত দাগ সৃষ্টি কৰে) উৎপাদন স্বাভাৱিকতকৈ বেছি হয় আৰু ই ছাল আৰু অন্যান্য দেহৰ অংগত জমা হৈ ছালক টান আৰু কঠোৰ কৰে আৰু অংগবিলাকৰ স্বাভাৱিক কাৰ্য সালসলনি কৰে। আন এটি লগৰ বস্তু হৈছে ৰক্তবাহী শিৰাৰ ভিতৰৰ ফালে থকা সঞ্জাপৰ (lining of blood vessels) কোষিকা বিলাকৰ অস্বাভাৱিক কাৰ্য যাৰ কাৰণে ৰেন'ডছ ফেন'মেন'ন (Raynaud's phenomenon) (শেতা পৰা, হাতৰ আৰু ভৰিৰ আঙুলি নীলবৰণ হোৱা আৰু ৰঙা ফুটফুটীয়া দাগ (telangiectasias) হোৱা দেখা যায়। ৰোগৰ লক্ষণসমূহৰ সূচনা হয় আমাৰ নিজৰ দেহৰ স্বপ্ৰতিৰোধ কোষিকা বিলাকৰ অস্বাভাৱিক কাৰ্যৰ দ্বাৰা অথবা কিছু পাৰিপাৰ্শ্বিক কাৰক নাইবা কোষিকাবিলাকক বেছিকৈ কলাজেনৰ উদ্ভৱ কৰা হৰমনৰ দ্বাৰা।

**লক্ষণ**

স্থান বিশেষে হোৱা স্কেলৰ'ডাৰ্মা (Localized scleroderma)ৰ লক্ষণসমূহ ছাল আৰু ইয়াৰ তলত থকা